**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

কোকৰাঝাৰত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উদযাপনৰ আয়োজন কৰা হৈছে। বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীৰ অংশ হিচাপে আজি পুৱা শন্তি, সম্প্ৰীতি আৰু সংহতিৰ উদ্দেশ্যে এটা মটৰচাইকেল সমদল উলিওৱা হয়। আজি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হ'ব।

কাইলৈ দ্বিতীয় দিনটোত কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০

শিৱসাগৰত আজি পুৱা ক্ষেত্ৰ মুকলি আৰু তোৰণ উদ্বোধনেৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ দুদিনীয়া কাৰ্যসূচী আৰম্ভ হৈছে। তলাতল ঘৰৰ বাকৰিত আৰু পৰাগধৰ চলিহা ষ্টেডিয়ামত অনুষ্ঠিত আছুৰ সাধাৰণ সভাৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ অংশ হিচাপে কিছু সময় পাছতে এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি সদৌ অসম ভিত্তিত বক্তৃতা প্ৰতিযোগিতা আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। সন্ধিয়াৰ সাংস্কৃতিক কাৰ্যসূচীত ৰাজ্যৰ কেইবাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীয়ে সংগীত পৰিৱেশন কৰিব।

কাইলৈ পুৱা সভাথলিত কৃষক ছহিদ দিৱস উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰ পাছতে স্মৃতি গ্ৰন্থ উন্মোচন কৰা হ'ব। বিশিষ্ট শিল্পী ড০ অনিল শইকীয়াই সাধাৰণ সভা উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব। কাইলৈৰ সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ উপস্থিত থকাৰ কথা।

উল্লেখযোগ্য যে, শিৱসাগৰৰ ৰংপুৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাত জিলাখনৰ ঐতিহ্য-পৰম্পৰাক পৰিকল্পিতৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যে তলাতল ঘৰৰ বাকৰিৰ মূল মণ্ডপৰ সন্মুখত চৰাইদেউৰ এটা প্ৰতীকি মৈদাম নিৰ্মাণ কৰা হৈছে। এই প্ৰতীকি মৈদামৰ মাজেৰেই সাধাৰণ সভাৰ অতিথি-প্ৰতিনিধি আৰু অন্যান্য লোকে আজি সভাথলিত প্ৰৱেশ কৰিছে।

০০০০

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত কৃষক ছহিদ দিৱসৰ অংশ হিচাপে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি পাথৰিঘাটৰ কৃষক ছহিদ বাকৰিত **পথৰুঘাটে ৰিঙিয়ায়** শীৰ্ষক প্ৰাইজমাণি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ

দিনটোৰ অন্যান্য কাৰ্যসূচীত কৃষক ছহিদ প্ৰকল্পত শীততাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ উদ্বোধন, কৃষি মেলা উদ্বোধন, কৃষক বিদ্ৰোহ বিষয়ৰ গ্ৰন্থ, স্মৰণিকা, আলোকচিত্ৰ ইত্যাদিৰ প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হ'ব। তদুপৰি প্ৰবীণ লোকশিল্পীসকলৰ সন্মিলন আৰু শিল্পী পেন্সন প্ৰাপকসকলক সম্বৰ্ধনা জনোৱাকে ধৰি আন বিভিন্ন কাৰ্যসূচীও আজি ৰূপায়ণ কৰা হ'ব।

কাইলৈ তৃতীয় তথা অন্তিম দিনটোত পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো কাইলৈৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি আকাশবাণীৰ দৰঙৰ সংবাদদাতাই জানিবলৈ দিছে।

উল্লেখযোগ্য যে ব্ৰিটিছ শাসকে বৰ্ধিত হাৰত অন্যায়ভাৱে মাটিৰ খাজনা আৰোপ কৰাৰ বিৰুদ্ধে নিৰস্ত্ৰ প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ১৪০ গৰাকী কৃষক ছহিদে আৰক্ষীৰ গুলীত প্ৰাণ হেৰুৱাইছিল। এই কৃষক ছহিদসকলৰ স্মৃতিত প্ৰতি বছৰে কৃষক ছহিদ দিৱস পালন কৰি অহা হৈছে।

০০০০

কাৰ্বি আংলং জিলাৰ বকলিয়াত অনুষ্ঠিত ৩৩ সংখ্যক কাৰ্বি লামমেত আমেই অৰ্থাৎ কাৰ্বি সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। যোৱা ২৪ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই অধিৱেশনৰ সামৰণি অনুষ্ঠানত ৰাইজৰ অংশগ্ৰহণৰ সুবিধাৰ্থে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে আজি জিলাখনৰ শিক্ষানুষ্ঠান তথা সকলো চৰকাৰী কাৰ্যালয় বন্ধ ঘোষণা কৰিছে। চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কাৰ্বি সাহিত্য সভাৰ এই বাৰ্ষিক অধিৱেশনত  কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। কাৰ্বি আংলঙৰ ১৩৩খন শাখা সভাৰ প্ৰতিনিধিয়ে এই অধিৱেশনত অংশগ্ৰহণ কৰে বুলি কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ টেৰনে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০

নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত দক্ষিণ এছিয়ান স্কোৱেই মাৰ্ছিয়েল আৰ্ট ইণ্টাৰ নেচনেল চেম্পিয়নশ্বীপত অসমৰ ৯ গৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰে। কাঠমাণ্ডুৰ প্ৰীতিপুৰ ষ্টেডিয়ামত যোৱা ২৩ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰীলৈ অনুষ্ঠিত প্ৰথম দক্ষিণ এছিয়ান স্কোৱে মাৰ্চিয়েল আৰ্ট চেম্পিয়নশ্বিপত ভাৰতক প্ৰতিনিধিত্ব কৰা অসমৰ দলটোৱে ৬টা সোণ আৰু তিনিটা ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০

সমাপ্ত